জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.janambhumi.in e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

বছৰ, সংখ্যা ২৫৮ ● শনিবাৰ ● ২৬ জেঠ ১৯৪৫ শক RNI No. ASSASS/2006/16737 THE DAINIK JANAMBHUMI Tinsukia Saturday June 10, 2023 ● ১৬ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰ

## ডি এইচ এছ কানৈ মহাবিদ্যালয়ত ‘ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০’ শীৰ্ষক আলোচনা চক্ৰ

**ডিব্ৰুগড় ঃ** ষ্টাফ ৰিপৰ্টাৰ, ৯ জুন ঃ অসম কলেজ শিক্ষক সংস্থা, ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় শিক্ষক গোট আৰু অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ উদ্যোগত ৭ জুনত ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ শীৰ্ষক এখন আলোচনা চক্ৰ সম্পন্ন হয়। অসম কলেজ শিক্ষক সংস্থা, ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় শিক্ষক গোটৰ সম্পাদক ড° বিৰাজ দত্তই আঁত ধৰা আলোচনা চক্ৰখনত সভাপতিত্ব কৰে শিক্ষক গোটৰ সভাপতি ড° জ্যোতিপ্ৰসাদ ফুকনে। আলোচনা চক্ৰখন উদ্বোধন কৰি কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ৰ প্ৰাসংগিকতা আৰু ইয়াৰ গুৰুত্বৰ বিষয়ে উল্লেখ কৰাৰ লগতে চলিত বৰ্ষৰ পৰা আৰম্ভ হ'ব লগা এই নীতিয়ে শিক্ষা ব্যৱস্থাৰ এক ব্যাপক পৰিৱৰ্তন সাধন কৰিব বুলি মত প্ৰকাশ কৰে। আলোচনা চক্ৰখনত তিনিগৰাকীকৈ সমল ব্যক্তিয়ে বক্তব্য আগবঢ়োৱাৰ লগতে ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০-ৰ বিস্তাৰিত ৰূপত আলোকপাত কৰে। মুখ্য বক্তা হিচাপে উপস্থিত থাকে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰিসংখ্যা বিজ্ঞান বিভাগৰ জ্যেষ্ঠ অধ্যাপক তথা অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ প্ৰাক্তন সঞ্চালক ড° শৰৎ চন্দ্ৰ কাকতী। মূল ভাষণত অধ্যাপক ড° কাকতীয়ে ৰাষ্ট্ৰীয় শিক্ষানীতিৰ বিভিন্ন দিশ ব্যক্ত কৰাৰ লগতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ে গ্ৰহণ কৰা ব্যৱস্থাৱলীৰ বিষয়ে আলোকপাত কৰে। দ্বিতীয়জন সমল ব্যক্তি হিচাপে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক ড° বৰুণ দে'য়ে চাৰি বছৰীয়া ডিগ্ৰী পাঠ্যক্ৰমৰ ব্যৱস্থাৰ ব্যাখ্যা আগবঢ়ায়। আন এজন সমল ব্যক্তি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ অধ্যাপক ড° প্ৰাঞ্জল বুঢ়াগোহাঁয়ে নতুন শিক্ষা বৰ্ষৰ পৰা কাৰ্যকৰী হ'ব লগা এই শিক্ষা ব্যৱস্থাৰ সম্ভাব্য প্ৰত্যাহ্বানসমূহৰ বিষয়ে আলোচনা কৰে। আলোচনা চক্ৰখনত কানৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° প্ৰিয়দেৱ গোস্বামী, অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° অনুপজ্যোতি ভৰালীকে ধৰি কানৈ মহাবিদ্যালয়ৰ লগতে ডিব্ৰুগড়ৰ আন কেইবাখনো মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাই অংশগ্ৰহণ কৰে। শলাগ জ্ঞাপন কৰে অসম কলেজ শিক্ষক সংস্থা, ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় শিক্ষক গোটৰ সম্পাদক ড° বিৰাজ দত্তই।